**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-MAY-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

১। দিছপুৰত আজিৰে পৰা ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশন।
২। ৰাজ্যিক মন্ত্ৰীসভাৰ অসম ৰাজ্যিক তথ্য নীতি, ২০২৬-ত অনুমোদন।
৩। মূল্য ব্যৱস্থা নিৰীক্ষণ আৰু বজাৰৰ সুস্থিৰতা সন্দৰ্ভত পৰ্যালোচনাৰ বাবে মুখ্য সচিব ড° ৰবি কোটাৰ অধ্যক্ষতাত উচ্চ পৰ্যায়ৰ বৈঠক।
৪। টাইৱানৰ য়াং ছুৰাং জি আৰু লীন কিঙলৈ চলিত বছৰৰ আন্তঃৰাষ্ট্ৰীয় বুকাৰ বঁটা। *আৰু*
৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে কলকাতা নাইট ৰাইডাৰ্ছৰ ৪ উইকেটত জয়লাভ।

০০০০০০

ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশন আজিৰে পৰা দিছপুৰত অনুষ্ঠিত হ'ব। অস্থায়ী অধ্যক্ষ চন্দ্ৰমোহন পাটোৱাৰীয়ে নৱ-নিৰ্বাচিত বিধায়কসকলক শপতবাক্য পাঠ কৰোৱাব। বিধায়কসকলৰ জ্যেষ্ঠতাৰ ভিত্তিত শপত গ্ৰহণ প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব। ইয়াৰ পাছতে অধ্যক্ষৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। শাসনাধিষ্ঠিত এন ডি এ মিত্ৰজোঁটৰ হৈ ৰণজিৎ কুমাৰ দাসে কালি অধ্যক্ষ পদৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰে। এন ডি এৰ নেতৃবৰ্গই বিজেপিৰ বিধায়কগৰাকীৰ হৈ বিধানসভাৰ সচিব দুলাল পেগুৰ হাতত মনোনয়ন পত্ৰ দাখিল কৰে। কাইলৈ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই সংবিধানৰ ১৭৬ (১) অনুচ্ছেদৰ অধীনত ভাষণ আগবঢ়াব। ইয়াৰ পাছতে ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ দিয়া হ'ব। ২৫ মে'ত ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্ক অনুষ্ঠিত হ'ব। চাৰিদিনীয়া এই অধিৱেশনৰ ২৬ মে'ত অন্ত পৰিব। বিধানসভাত বিৰোধী দলপতি নিৰ্বাচন সন্দৰ্ভত এতিয়াও সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাই। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে কয়, যে এই সংক্ৰান্তত ৰাষ্ট্ৰীয় নেতৃত্বৰ সৈতে আলোচনা কৰা হৈছে আৰু শীঘ্ৰেই আনুষ্ঠানিক প্ৰক্ৰিয়া সম্পন্ন কৰি দলপতি বাছনি কৰা হ'ব।

**বাইট**

ইপিনে বিধানসভা অধিৱেশনৰ পূৰ্বে কালি অসম গণ পৰিষদৰ বিধায়িনী দলৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত আসন্ন অধিৱেশনত গ্ৰহণ কৰিবলগীয়া বিভিন্ন ব্যৱস্থা সম্পৰ্কে বিশদভাৱে আলোচনা কৰা হয়।

০০০০০০

ৰাজ্যিক মন্ত্ৰীসভাই অসম ৰাজ্যিক তথ্য নীতি, ২০২৬-ত অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি গুৱাহাটীৰ লোকসেৱা ভৱনত আয়োজিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত সংসদীয় পৰিক্ৰমা মন্ত্ৰী অতুল বৰাই বৈঠকৰ সিদ্ধান্তসমূহৰ বিষয়ে সদৰি কৰে। এই তথ্য নীতি অনুসৰি তথ্য ব্যৱস্থাপনা কেন্দ্ৰ নামেৰে সমন্বয়কাৰী সংস্থা গঠন কৰি বিশ্লেষণ আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত ৰাজ্যজুৰি সংহত তথ্য ভঁৰাল গঢ়ি তোলা হ'ব। এই সন্দৰ্ভত সকলো বিভাগৰ বাবে নিয়মিত আৰু সুসংগঠিত তথ্যৰ ভাগ-বাটোৱাৰা বাধ্যতামূলক হ'ব। এই নীতিয়ে ডিজিটেল ব্যক্তিগত তথ্য সুৰক্ষা আইন, ২০২৩-ৰ নীতি-নিৰ্দেশনা মানি কাম কৰাৰ লগতে ৰাজ্যিক তথ্য প্ৰশাসনৰ সুস্পষ্ট পৰিকাঠামো নিৰ্ধাৰণ কৰিব। কালি বৈঠকত ষোড়শ অসম বিধানসভাৰ আজি প্ৰথম অধিৱেশনৰ বাবে ৰাজ্যপালৰ ভাষণৰ খচৰাত মন্ত্ৰীসভাই অনুমোদন জনায়। এই সন্দৰ্ভত মন্ত্ৰী অতুল বৰাই সাংবাদিকৰ আগত এইদৰে কয়—

**ৱাইট**

০০০০০০

ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটাই মূল্য ব্যৱস্থা নিৰীক্ষণ আৰু বজাৰৰ সুস্থিৰতা সন্দৰ্ভত পৰ্যালোচনা কৰিবলৈ কালি এখন উচ্চ পৰ্যায়ৰ বৈঠকত অংশগ্ৰহণ কৰে। অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰাৰ লগতে বজাৰ ব্যৱস্থাৰ সুস্থিৰতা ৰক্ষাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে দিয়া নিৰ্দেশ অনুসৰি এই বৈঠকৰ আয়োজন কৰা হয়। বৈঠকত বিভিন্ন জিলাত খুচুৰা আৰু পাইকাৰী মূল্য, মজুত সামগ্ৰী, যোগান শৃংখলা, বিধি বলৱৎকাৰী বিভাগৰ প্ৰস্তুতি আৰু আন্তঃবিভাগীয় সমন্বয় সন্দৰ্ভত আলোচনা কৰা হয়। মুখ্য সচিবগৰাকীয়ে ততালিকে জিলা পৰ্যায়ৰ কৰ্মবাহিনী সক্ৰিয় কৰি বজাৰত বিভিন্ন সামগ্ৰীৰ মূল্য যাতে অনিয়ন্ত্ৰিতভাৱে বৃদ্ধি হ'ব নোৱাৰে তাৰবাবে নিয়মীয়াকৈ নিৰীক্ষণ কৰিবলৈ নিৰ্দেশ দিছে। তদুপৰি জিলা, সমজিলা, ৰাজহচক্ৰ আৰু উন্নয়ন খণ্ড পৰ্যায়তো কঠোৰভাৱে নিৰীক্ষণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস। ৰাষ্ট্ৰসংঘৰ উদ্যোগত প্ৰতি বছৰে ২১ মে'ৰ দিনা এই দিৱস পালন কৰা হয়। উল্লেখযোগ্য যে অসমৰ চাহ উদ্যোগে ইতিমধ্যে ২০০ বছৰীয়া যাত্ৰা সম্পূৰ্ণ কৰিছে। দেশৰ মুঠ চাহ উৎপাদনৰ ভিতৰত অসমৰ অংশ হৈছে ৫৪ শতাংশ। শেহতীয়াকৈ ক্ষুদ্ৰ চাহ উদ্যোগে অসমৰ অৰ্থনীতিলৈ প্ৰভূত বৰঙণি আগবঢ়াইছে। উন্নত পদ্ধতিৰে চাহ খেতি কৰি এনে ক্ষুদ্ৰ খেতিয়কসকলে বজাৰত কেঁচা পাতৰ উচিত মূল্য পাবলৈ সমৰ্থ হৈছে।

ৰাজ্যখনৰ বিভিন্ন স্থানত আজি এই দিৱস উপলক্ষে ভালেমান কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ চাহ উদ্যোগক উজ্জীৱিত কৰা প্ৰতিগৰাকী ব্যক্তিক অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয়, যে বিশ্বজুৰি সমাদৃত অসমৰ চাহত ৰাজ্যখনৰ মাটি, বৰষুণ, পৰিশ্ৰম আৰু ঐতিহ্যৰ সুবাস আছে। বিশ্ব চাহ মানচিত্ৰত অসম শক্তিশালী অংশ বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ সেউজীয়া চাহ বাগিচা, লাখ লাখ শ্ৰমিকৰ অক্লান্ত শ্ৰম আৰু দুটা শতিকাজোৰা ঐতিহ্যই অসমৰ চাহক বিশ্বজুৰি অনন্য স্বাদ আৰু সন্মান দিছে। মুখ্যমন্ত্ৰীয়ে এই দিৱস উপলক্ষে সকলোকে শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০

নলবাৰী জিলাৰ টিহুৰ পৰা মাধপুৰলৈ ৰাষ্ট্ৰীয় ঘাইপথৰ ৫ কিলোমিটাৰ অংশ জৰুৰীকালীন বিমান অৱতৰণৰ বাবে সাজু কৰি তোলা হ'ব। ৰাষ্ট্ৰিয় ঘাইপথ প্ৰাধিকৰণে নলবাৰী জিলা প্ৰশাসনলৈ এই সন্দৰ্ভত এখন পত্ৰ প্ৰেৰণ কৰিছে। সুৰক্ষা আৰু দুৰ্যোগ ব্যৱস্থাপনাজনিত কাৰণত এই পদক্ষেপ লোৱাৰ কথা বিবেচনা কৰা হৈছে। প্ৰাধিকৰণে এই পথছোৱাৰ সমীপত বৃহৎ নিৰ্মাণকাৰ্য কৰাৰ পৰা বিৰত থাকিব পাৰিনে নাই সেই বিষয়ে চালি-জাৰি চাবলৈও পত্ৰখনত পৰামৰ্শ দিছে। জিলা প্ৰশাসনে এই বিষয়ে সমীক্ষা চলাই প্ৰতিবেদন সাজু কৰিব বুলি জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে কালি জিলা উন্নয়ন সমিতিৰ এখন সভাত প্ৰকাশ কৰে।

**ৱাইট**

০০০০০০

টাইৱানৰ য়াং ছুৱাং জি আৰু লীন কিঙলৈ চলিত বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় বুকাৰ বঁটা আগবঢ়োৱা হৈছে। য়াং ছুৱাং জিৰ 'টাইৱান ট্ৰেভেলগ' নামৰ উপন্যাসখনৰ ইংৰাজী অনুবাদে এই বঁটা লাভ কৰে। সেয়েহে নিয়ম অনুসৰি মূল মাণ্ডাৰিন চীনা ভাষাৰ ঔপন্যাসিক য়াং ছুৱাং জি আৰু ইংৰাজী অনুবাদক লীন কিং- দুয়ো এই বঁটা লাভ কৰিব। উল্লেখযোগ্য যে টাইৱান ট্ৰেভেলগ হৈছে আন্তঃৰাষ্ট্ৰীয় বুকাৰ বঁটা লাভ কৰা মাণ্ডাৰিন চীনা ভাষাৰ পৰা অনূদিত প্ৰথমখন উপন্যাস। কালি লণ্ডনৰ টেট মডাৰ্ণত অনুষ্ঠিত চলিত বৰ্ষৰ বঁটা প্ৰদান অনুষ্ঠানত প্ৰখ্যাত লেখক নাটাছা ব্ৰাউনে বিজয়ীৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা

কৰে। বিশ্বৰ যিকোনো ভাষাত লিখা গল্প-উপন্যাসৰ ইংৰাজী অনুবাদৰ ইংলেণ্ড-আয়াৰলেণ্ডৰ পৰা প্ৰকাশিত গ্ৰন্থক এই বঁটাৰ বাবে বাছনি কৰা হয়। ৫০ হাজাৰ পাউণ্ড অৰ্থমূল্যৰ এই বঁটা মূল লেখক আৰু অনুবাদক দুয়োৰে মাজত ভগাই দিয়া হয়। এইবেলি বুকাৰ বঁটা লাভ কৰা উপন্যাসখন জাপানৰ অধীনত থকা টাইৱানৰ পটভূমিত ৰচিত। উপন্যাসখন ২০২০ চনত প্ৰথমে মাণ্ডাৰিন চীনা ভাষাত প্ৰকাশ পাইছিল। এই উপন্যাসখন য়াঙৰ ইংৰাজীলৈ অনুবাদ হোৱা প্ৰথমখন গ্ৰন্থ। গ্ৰন্থখনে ২০২৪ চনত অনুবাদ শাখাত আমেৰিকান নেচনেল বুক এৱাৰ্ডো লাভ কৰিছিল।

০০০০০০

ওদালগুৰি জিলাত চলিত বৰ্ষত ৯১ গৰাকী লোক মেলেৰিয়াত আক্ৰান্ত হৈছে। ইয়াৰে ৫ গৰাকী ওদালগুৰি অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। জিলা স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে জিলাখনৰ দলনিবস্তিত সৰ্বাধিক ৫১ জন লোক মেলেৰিয়াত আক্ৰান্ত হোৱাৰ বিপৰীতে বান্দৰগুৰিত ২০ আৰু মাজখুটিত ১০ গৰাকী লোক এই ৰোগত আক্ৰান্ত হৈছে। উল্লেখযোগ্য যে যোৱা বছৰ জিলাখনত ১০৮ জন লোক এই ৰোগত আক্ৰান্ত হৈছিল। আনহাতে, ২০২৪ বৰ্ষত ৮৩ জন, ২০২৩ ত ৩৪ আৰু ২০২২ চনত ১৫ জন লোক এই ৰোগত আক্ৰান্ত হৈছিল। স্বাস্থ্য বিভাগে জিলাখনৰ মেলেৰিয়াৰ প্ৰাদুৰ্ভাৱ থকা অঞ্চলত দৰৰ ছটিওৱাৰ লগতে স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰিছে।

০০০০০০

পণ্ডিতপ্ৰৱৰ আনন্দৰাম বৰুৱাৰ আজি ১৭৬ সংখ্যক জয়ন্তী। এই উপলক্ষে উত্তৰ গুৱাহাটীৰ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসম— আবিলেকৰ উদ্যোগত দিনজোৱা কাৰ্যসূচীৰে জয়ন্তী পালন কৰিবলৈ লোৱা হৈছে। অনুষ্ঠানৰ লগত সংগতি ৰাখি উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰস্থিত আবিলেকৰ কাৰ্যালয়ত স্থানীয় মহিলাৰ দ্বাৰা আয়তী নাম পৰিৱেশন কৰা হ'ব। আবেলি ৪ বজাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফণীধৰ দত্ত প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া আনন্দৰাম বৰুৱা স্মৃতিচাৰণ সভাত আবিলেকৰ পৰিচালনা পৰিষদৰ অধ্যক্ষ ডা০ ৰণোজ পেগুৱে সভাপতিত্ব কৰিব। এই অনুষ্ঠানতে ২০২৫ বৰ্ষৰ আনন্দৰাম বৰুৱা বঁটা বিশিষ্ট সংস্কৃত পণ্ডিত, অধ্যাপক ৰাজেন্দ্ৰ নাথ শৰ্মাক প্ৰদান কৰা হ'ব।

০০০০০০

যাত্ৰীবাহী ৰে'লৰ সুৰক্ষা আৰু অধিক নিশ্চিত কৰাৰ লগতে পৰিচালনাৰ গতি খৰতকীয়া কৰাৰ লক্ষ্যৰে ভাৰতীয় ৰে'লৱেই তিনিচুকীয়া ৰে'ল সংমণ্ডলৰ অধীনত ট্ৰেক নৱীকৰণৰ বৃহৎ কাৰ্যসূচী হাতত লৈছে। ডিব্ৰুগড় টাউন ৰে'লৱে ষ্টেচনৰ পৰা চাউলখোৱা পৰ্যন্ত সমগ্ৰ ৰে'লপথছোৱাত ভাৰতীয় ৰে'লৱেই পুৰণি শ্লিপাৰ আৰু ৰে'ললাইনসমূহ ক্ষীপ্ৰতাৰে সলনি কৰাৰ কাম আৰম্ভ কৰিছে। ৰে'লৱে মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি এই সমগ্ৰ প্ৰকল্পটো সম্পূৰ্ণ কৰিবলৈ বিশ্বৰ আগশাৰীৰ প্ৰযুক্তি প্ৰতিষ্ঠান প্লাছাৰ এণ্ড থিউৰাৰে বিকাশ কৰা অত্যাধুনিক প্লাছাৰ্ছ কুইক ৰিলেইং পদ্ধতি ব্যৱহাৰ কৰা হৈছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলকাতা নাইট ৰাইডাৰ্ছে কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছক ৪ উইকেটত পৰাস্ত কৰে। খেলখনত বিজয়ী হোৱাৰ ফলত কলকাতা নাইট ৰাইডাৰ্ছে প্লে অফ পৰ্যায়ত উপনীত হোৱাৰ আশা সজীৱ কৰি ৰাখিবলৈ সক্ষম হৈছে। বৰষুণৰ বাবে কিছু সময় বন্ধ কৰি ৰাখিবলগীয়া খেলখনত মুম্বাইয়ে নিৰ্ধাৰণ কৰি দিয়া ১৪৮ ৰানৰ লক্ষ্য কলকাতা নাইট ৰাইডাৰ্ছে হাতত ৪টা উইকেট আৰু ৭টা বল বাকী থকা অৱস্থাত অতিক্ৰম কৰে। কলকাতাৰ মনীষ পাণ্ডেই সৰ্বাধিক ৪৫ ৰান সংগ্ৰহ কৰাৰ বিপৰীতে ৰ'ভমন পাৱেলে ৪০ ৰানৰ অৰিহণা আগবঢ়ায়। মনীষ পাণ্ডেক প্লেয়াৰ অৱ দ্য মেচ হিচাপে ঘোষণা কৰা হয়। মুম্বাই ইণ্ডিয়ানছৰ কৰ্বিন বছে ৩টা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰিবলৈ আমন্ত্ৰণ লাভ কৰি মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০অ'ভাৰত ৮টা উইকেট হেৰুৱাই ১৪৭ ৰান সংগ্ৰহ কৰে। মুম্বাই ইণ্ডিয়ানছৰ হৈ কৰ্বিন বছে সৰ্বাধিক ৩২ ৰান কৰে। আনহাতে, কলকাতাৰ সৌৰভ ডুবে, কেমৰেন গ্ৰীণ আৰু কাৰ্তিক ত্যাগীয়ে দুটাকৈ উইকেট দখল কৰে।

প্ৰতিযোগিতাত আজি আহমেদাবাদ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। গুজৰাট টাইটানছে ইতিমধ্যে প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ বাবে যোগ্যতা অৰ্জন কৰাৰ বিপৰীতে আজিৰ খেলখনত জয়লাভৰ জৰিয়তে চেন্নাই ছুপাৰ কিংছে পইণ্ট তালিকাৰ চতুৰ্থ স্থানত উপনীত হোৱাৰ আপ্ৰাণ প্ৰয়াস চলাব।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ইটালী ভ্ৰমণ, জুবিন ক্ষেত্ৰলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, অসম বিধানসভাৰ অধিৱেশন, জুনৰ প্ৰথম সপ্তাহত মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ আদিকে ধৰি বিভিন্ন বাতৰি ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতে হৰমুজ প্ৰণালীত জাহাজৰ পৰিবহণ বাধাপ্ৰাপ্ত হোৱাৰ ফলত দেশৰ কৃষিখণ্ডত সাৰৰ নাটনি হোৱাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

কালিৰ দিনটোত ৰাজ্যৰ বিভিন্ন স্থানত গ্ৰীষ্মপ্ৰবাহে জীৱন যাত্ৰা বিঘ্নিত কৰাৰ খবৰটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত বিশেষ বাতৰিৰূপে প্ৰকাশ কৰিছে। দেশৰ বিভিন্ন চহৰত  তাপমাত্ৰা চকুত লগা ধৰণে বৃদ্ধি পোৱাৰ এটা বাতৰি দৈনিক অগ্ৰদূত কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ইপিনে নিয়মীয়া বাৰ্তা কাকতে গুৱাহাটীৰ বান সমস্যা সমাধানৰ লক্ষ্যৰে দীৰ্ঘম্যাদী পদক্ষেপ শীৰ্ষক এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটো বান নিয়ন্ত্ৰণ সন্দৰ্ভত ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমযোগে প্ৰকাশ কৰা বিভিন্ন তথ্য উল্লেখ কৰা হৈছে।

দৈনিক জনমভূমি কাকতে বিশিষ্ট গৱেষক তথা ৰাজ্যৰ অৱসৰী গৃহ আয়ুক্ত ড০ বীৰেন্দ্ৰ কুমাৰ গোহাঁইৰ দেহাৱসানৰ বাতৰিটোক প্ৰথম পৃষ্ঠাত স্থান দিছে।

ক্লায়েণ্ট এছ'চিয়েটছ নামৰ সংস্থাটোৰ প্ৰতিবেদন অনুসৰি অসম আৰু মেঘালয় বিগত ৫টা বছৰত ভাৰতৰ দ্ৰুততম অৰ্থনীতিসমূহৰ ভিতৰত অন্তৰ্ভুক্ত হোৱাৰ বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰূপে পৰিৱেশন কৰিছে। একেটা বাতৰিক অসমীয়া খবৰ কাকতেও মুখ্য বাতৰিত স্থান দিছে।

ইপিনে ৰাজ্যত অব্যাহত থকা মূল্যবৃদ্ধিৰ মাজতে গুৱাহাটী বিশ্ববিদ্যালয়ে ব্যাপক হাৰত পুনৰ মাচুল বৃদ্ধি কৰাৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে নীট-ইউজি পৰীক্ষা পুনৰ অনুষ্ঠিত কৰাৰ আগেয়ে এখন উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰাৰ বাতৰিটোক প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাজ্যিক মন্ত্ৰীসভাই ৰাজ্যিক তথ্য নীতিত অনুমোদন জনোৱাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

গুৱাহাটী মহানগৰীৰ হেঙেৰাবাৰী নিবাসী সমাজকৰ্মী, ধৰ্মপ্ৰাণা মহিলা ৰেখা তালুকদাৰৰ যোৱানিশা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৫ বছৰ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল, নাগালেণ্ড, মেঘালয় আৰু ত্ৰিপুৰাৰ কোনো কোনো অংশত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। মিজোৰাম, আৰু মণিপুৰৰ কিছু কিছু অঞ্চলত পাতলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

**সমাপ্ত**